# বিহু চোলা

## TEXTUAL QUESTIONS AND ANSWERS

---

**ক্ৰিয়া-কলাপ**

**প্ৰশ্ন ১: চমু উত্তৰ দিয়া —**

**( ক ) সােণপাহিৰ ঘৰ ক'ত আছিল ?**

**উত্তৰঃ** সােণপাহিৰ ঘৰ দিখৌৰ পাৰৰ শলগুৰি গাঁৱত আছিল ।

**( খ ) সােণপাহিৰ পােণাটিৰ নাম কি আছিল আৰু বয়স কিমান হৈছিল ?**

**উত্তৰঃ** সােণপাহিৰ পােণাটিৰ নাম মাখন আছিল । মাখনৰ বয়স পাঁচ বছৰ হৈছিল ।

**( গ ) সােণপাহিয়ে গিৰিয়েকৰ পৰা কি পাইছিল ?**

**উত্তৰঃ** সােণপাহিয়ে গিৰিয়েকৰ পৰা এচমকা ভেটিৰ মাটি পাইছিল ।

**( ঘ ) মাখনক নতুন চোলা কিয় লাগে ?**

**উত্তৰঃ** মাখনক নতুন চোলা বিহুত পিন্ধিবলৈ লাগে।

**( ঙ ) মাকে মাখনক আনি দিয়া বিহুৰ চোলাটো কেনেকুৱা আছিল ?**

**উত্তৰঃ** মাকে মাখনক আনি দিয়া বিহুৰ চোলাটো ৰঙা বৰণৰ জাপানী বনিয়ন আছিল ।

**( চ ) চোলাটো ঘৰলৈ আনি সােণপাহিয়ে ক'ত থৈছিল আৰু তেতিয়া মাখনে কি কৰিছিল ?**

**উত্তৰঃ** সােণ পাহিয়ে চোলাটো জুহালৰ গুৰিৰ বেৰৰ কাষত উঘা এটাৰ ওপৰত আঁৰি থৈছিল । তাত থ'লে লেতেৰা হ'ব বুলি ভাবি মাখনে চোলাটো তাৰ পৰা নি মূৰৰ শিতানত থৈছিল ।

**( ছ ) বিহুৰ দিনা মাখনে নতুন চালাটো লৈ কাৰ চোতাললৈ গৈছিল ?**

**উত্তৰঃ** বিহুৰ দিনা মাখনে নতুন চালাটো লৈ ওচৰ – চুবুৰীয়া ভদাই শইকীয়াৰ চোতাললৈ গৈছিল ।

**( জ ) কোনে মাখনৰ নতুন চোলাটো ফালি পেলাইছিল ?**

**উত্তৰঃ** লহমন বা◌েলা ল'ৰাটোৱে মাখনৰ নতুন চোলাটো ফালি পেলাইছিল ।

**( ঝ ) নতুন চোলাটোৰ শেষ পৰিণতি কি হল ?**

**উত্তৰঃ** লাহমনৰ হাতত সীয়নি ছিগা চোলাটো বাকীবিলাক ল'ৰা – ছা◌েৱালীয়ে পিটিকি পিটিকি চাওঁতে চোলাটোত সিহঁতৰ হাতত লগা◌েৱা জেতুকা আৰু থেৰেজুৰ চেকা লাগিল ।

**( ঞ ) বিহুৰ বাবে সা◌েণপাহিয়ে কি কি যা◌েগাৰ কৰিছিল ?**

**উত্তৰঃ** বিহুৰ বাবে সা◌েণপাহিয়ে এটি গাখীৰৰ টিপা , এপা◌েৱা গুড় আৰু এমুঠি উঁহ – পতনুৱা চাউল যা◌েগাৰ কৰিছিল ।

**প্ৰশ্ন ২: উৰুকাৰ ৰাতিপুৱা চুবুৰীয়া ঘৰৰ চোতালত সমনীয়াৰ কথাবা◌েৰে মাখনৰ মনত কেনে প্ৰতিক্ৰিয়া সৃষ্টি কৰিছিল ? তাৰ পিছত মাখনে কি কৰিছিল ?**

**উত্তৰঃ** সমনীয়াবোৰে মাখনে বিহুৰ চোলা আনিছেনে নাই সা◌েধাত মাখনে অতি সৰলভাৱে উত্তৰ দিছিল যে বজাৰত চোলা শেষ হা◌েৱাৰ

বাবে মাকে তালৈ আগদিনাখন চোলা আনিব না◌েৱাৰিলে , সেইদিনা গধুলিহে আনিব । মাখনৰ এই কথা শুনি অলপ বয়সীয়া ল'ৰা এটাই " হে'ৰ , বজাৰত ক'ৰবাত চোলা ঢুকায় ? " বুলি মাখনক ঠাট্টা কৰি প্ৰশ্ন কৰাত লগৰীয়া আটাইবা◌েৰে হাঁহিব ধৰিছিল । সিহঁতৰ এই হাঁহিয়ে মাখনৰ সৰল মনত দুখ দিছিল । সি বুজি পাইছিল যে বজাৰত কেতিয়াও চোলা নুঢুকায় । মাকে তাক সান্ত্বনা দিবলৈহে তেনেকৈ কৈছে। তাৰ পিছত মাখনে লাজ , খং আৰু অভিমানত পা◌েনে দাহেই মাকৰ ওচৰ পাইছিলগৈ ।

**প্ৰশ্ন ৩: গধূলি মাকে বজাৰৰ পৰা আহি নঙলামুখ পাওঁতে মাখনে কি কৰিছিল ?**

**উত্তৰঃ** মাইকীৰ হেম্বেলনি শুনা দামুৰিৰ দৰে মাখনে গৈ মাকৰ আঁঠু দুটাত সাবট মাৰি ধৰি তালৈ মাকে বিহু – চোলা আনিছে নে নাই সুধিছিল।

**প্ৰশ্ন ৪: বিহুৰ চোলাটো লাে ৱাৰ পিছত মাখনৰ মনত উদয় হাে ৱা ভাৱ গতিৰ এটা বৰ্ণনা দিয়া ।**

**উত্তৰঃ** বিহুৰ চোলাটো পাে ৱাৰ পিছত মাখনৰ আনন্দৰ সীমা নাে হাে ৱা হ'ল । মাকৰ পৰা চোলাটো লৈ সি আনন্দত উত্ৰাৱল হৈ চোলাটোৰ জাপ ভাঙি লিৰিকি বিদাৰি চালে । সেই এধানমান ৰঙীণ জাপানী কপাহী বনিয়াটোত ইমান সৌন্দৰ্য লুকাই আছে যে তাৰ এশ ভাগৰ এভাগো যেন সি চাব পৰা নাই । চাই চাই হেঁপাহ পলাে ৱাত ভালকৈ থবৰ বাবে সি চোলাটো মাকৰ হাতত দিলে । মাকে চোলাটো জুহালৰ বেৰৰ কাষৰ উঘা এটাৰ ওপৰতে থাে ৱা দেখি মাখনৰ অসহ্য হ'ল । চোলাটো তেনেকৈ থলে ক'লা বা লেতেৰা হ'ব বুলি সি সেইটো মূৰৰ শিতানত থলেগৈ । কাইলৈ ৰাতিপুৱাই সি সমনীয়াহঁতৰ আগত চোলাটো পিন্ধি চাবা মাকে বিহু বুলি কিবা যা – যাে গাৰ অলপ যে আনিছিল , সেইবাে ৰ চাবলৈ তাৰ আহৰিয়েই নাই।

**প্ৰশ্ন ৫: প্ৰসঙ্গ সঙ্গতি দৰ্শাইব্যাখ্যা কৰা—**

**( ক ) পুতেকৰ সেই ওলমি অহা মুখখনিৰ ভিতৰত যে এফেৰি খং – বেজাৰৰ তপত ভাপ আহিছে মাকে তাক বুজিব পৰা নাছিল ।**

**উত্তৰঃ** পুতেকৰ সেই ওলমি অহা ___ বুজিব পৰা নাছিল । বাক্যটি মিত্ৰদেৱ মহন্তদেৱে ৰচনা কৰা আমাৰ পাঠ্যপুথিৰ অন্তৰ্ভুক্ত " বিহু – চোলা " নামৰ পাঠটিৰ পৰা উদ্ধৃত কৰা হৈছে ।

বিহু – চোলা নাে হাে ৱা বাবে সমনীয়াবাে ৰে হঁহাৰ পিছত হাে ৱা মাখনৰ মানসিক অৱস্থাৰ ছৱি এখন বাক্যটিৰ জৰিয়তে দাঙি ধৰা হৈছে ।

উৰুকাৰ দিনা ৰাতিপুৱা সমনীয়াবাে ৰে মাখনক তাৰ বিহুৰ চোলাৰ বিষয়ে সুধিছিল । সৰলমতি মাখনে মাকে তাক কোৱা কথাৰ ওপৰতে ভিত্তি কৰি কৈছিল যে বজাৰত চোলা ঢুকোৱা বাবে মাকে তালৈ আগদিনা চোলা আনিব নাে ৱাৰিলে , সেইদিনা গধুলিহে আনিব । মাখনৰ কথা শুনি ল'ৰা এজনে " হে'ৰ , বজাৰত ক'ৰবাত চোলা ঢুকায় ? " বুলি মাখনক ঠাট্টা কৰি সাে ধাত লগৰীয়া আটাইবাে ৰে হাঁহিছিল । সিহঁতৰ হাঁহিৰ ৰূপ দেখি মাখনে বুজি পাইছিল যে বজাৰত চোলা কেতিয়াও নুচুকায় তাক সান্ত্বনা দিবৰ বাবেহে মাকে বজাৰত চোলা ঢুকোৱা বুলি কৈছিল । এই কথাটোত সি লাজ পাইছিল আৰু মনটো বেজাৰেৰে ভৰি পৰিছিল । সেয়েহে খং – বেজাৰত মুখ ওন্দোলাই একে দৌৰে মাকৰ ওচৰ

পাইছিলগৈ । মাকে তাৰ ওলমি অহা মুখখন দেখি একো বুজি পাোৰা নাছিল । সেয়েহে তেওঁ মাতৃসুলভ মমতাৰে মাখনক “ তাোৰ নাে আজি ভোক লগানাইনে , অতপৰে ” বুলি সুধিছিল ।

**( খ ) সেই এধানমান ‘ৰঙীণ’ জাপানী বনিয়ন এটাত যিমান সৌন্দৰ্য লুকাই আছে তাৰ এশ ভাগৰ এভাগাে যেন সি আজি চাই অন্ত কৰিব পৰা নাই ।**

**উত্তৰঃ** সেই এধানমান ‘ৰঙীণ ’ ___ চাই অন্ত কৰিব পৰা নাই । কথাফাকি মিত্ৰদেৱ মহন্তদেৱে ৰচনা কৰা আৰু আমাৰ পাঠ্যপুথিৰ অন্তৰ্ভুক্ত “ বিহু চোলা ” নামৰ পাঠটিৰ পৰা উদ্‌ধৃত কৰা হৈছে ।

মাকে নতুন চোলা আনি দিয়াৰ পিছত মাখনৰ মনত উদয় হাোৰা ভাৱ গতিৰ কথা উক্ত কথাফাঁকিৰ জৰিয়তে লেখকে প্ৰকাশ কৰিছে ।

সকলো শিশুৱে নতুন কাপাোৰ পালে মনত ৰং পায়। কাপাোৰৰ গুণগত মান যিয়েই নহওঁক নতুন কাপাোৰ পালে সিহঁতৰ আনন্দৰ সীমা নাোহাোৰা হয়। মাখনৰ সেয়ে হৈছিল । বিহু – চোলা বুলি মাখনৰ দুখুনী মাকে অতি কষ্টেৰে তাৈলে এটা এধানমান ৰঙীন জাপানী বনিয়ন আনিছিল । চোলাটো হাতত লৈয়ে মাখনে ঘূৰ্তিতে সেইটোৰ জাপ ভাঙিছিল । লেতেৰা হ’ব বুলি মাকে তাক চোলাটো থৈ দিবলৈ কোৱাৰ পিছততা চোলাটো থবলৈ তাৰ মন যাোৰা নাছিল । চোলাটো চাই চাই তাৰ যেন হেঁপাহ নপলাবই । তাৰ এনেকুৱা লাগিছিল মাকে যেন তাক আটাইতকৈ ভাল , আটাইতকৈ ধুনীয়া চোলা এটা আনি দিছে । সেই অকণমান কপাহী কাপাোৰৰ ৰঙীণ চোলাটো ইমান ধুনীয়া যে তাৰ সৌন্দৰ্য সি চাই শেষেই কৰিব পৰা নাই । চোৱাৰ পিছত আকৌ চাবৰ মন ।

**( গ ) মাকৰ উচুপনি কাণত পৰিলত সৰলমতি শিশুটিয়ে থিৰে থাকিব নাোৱাৰিলে ।**

**উত্তৰঃ** মাকৰ উচুপনি ____ কাণত থিৰে থাকিব নাোৱাৰিলে । কথাফাকি মিত্ৰদেৱ মহন্তদেৱে ৰচনা কৰা আৰু আমাৰ পাঠ্যপুথিৰ অন্তৰ্ভুক্ত “ বিহু চোলা ” নামৰ পাঠটিৰ পৰা উদ্‌ধৃত কৰা হৈছে ।

মাকৰ উচুপনি শুনি সৰলমতি মাখনৰ মনত হাোৰা প্ৰতিক্ৰিয়াৰ কথা উক্ত কথাফাকিৰ মাজেৰে লেখকে প্ৰকাশ কৰিছে।

নতুন চোলাটো ফালি – ছিৰি অনা দেখি সাোণপাহিয়ে খং আৰু দুখ বেজাৰত মাখনক দুষাৰ কথা শুনাই পিঠিত দুটামান ঢকা মাৰিছিল ।

এনেয়ে চোলা ফটাৰ দুখ , তাতে আকৌ মাকৰ গালি – মাৰ খাই দুখ – বেজাৰত কান্দিকাটি মাখনে পাটীত পৰিলগৈ । পিছে , সাােণ পাহিয়ে খং আৰু মনৰ দুখত পুতেকক ঢকা দুটা মাৰিলেই যেনিবা , তাইও মাকহে ! কথাতে আছে— “ আইৰ সমান হ’ব কোন , নৈৰ সমান বব কোন ? ” সাােণপাহিয়ে য’ৰে বন ত’তে এৰি চলচলীয়া চকুৰে পুতেকৰ কাষতে পাটীত উঠিল । নিজৰ দুখ – দুৰ্দশা ভাগ্যৰ কথা ভাবি আৰু পুতেকৰ দুখত দুখী হৈ মাখনৰ পিঠিত মুৰ পেলাই তাই উচুপি কান্দিবলৈ ধৰিলে ।

মাকৰ উচুপনি শুনি মাখনে থিৰেৰে থাকিব নাােৰাৰিলে । পৰিৱেশ – পৰিস্থিতিয়ে মানুহক বহু কথা শিকায় । কণমানি হ’লেও মাকৰ দুখ – বেজাৰৰ কথা মাখনে যেন কিবা বুজি পালে । সেয়েহে , মাকৰ চাদৰৰ আঁচলেৰে চকু দুটা মাােহাৰি মাখনে মাকক ক’লে যে সি সেইদিনা পুৰণি চোলাটোও নিপিন্ধে । দেউতাক নাই যেতিয়া সেইটো চোলাও ফাটিলে মাকে ক’ত পইচা পাব । মাখনৰ কথাখিনিত সৰলমতি শিশু এটাৰ  মাতৃস্নেহ সুন্দৰভাৱে ফুটি উঠিছে ।

**( ঘ ) মাকে দেখিলে অতীতৰ দুখৰ স্বপ্ন ; পুতেকে দেখিলে ভৱিষ্যতৰ সুখৰ স্বপ্ন ।**

**উত্তৰঃ** মাকে দেখিলে অতীতৰ __ ভৱিষ্যতৰ সুখৰ স্বপ্ন । কথাফাকি আমাৰ পাঠ্যপুথিৰ অন্তৰ্ভুক্ত , মিত্ৰদেৱ মহন্তদেৱে ৰচনা কৰা “ বিহু চোলা ” নামৰ পাঠটিৰ পৰা উদ্‌ধৃত কৰা হৈছে ।

কথাফাকি বহাগ বিহুৰ উৰুকাৰ ৰাতি বিচনাত পৰাৰ পিচত সাােণপাহি আৰু পুতেক মাখনৰ মানসিক অৱস্থাৰ প্ৰতিফলন ঘটিছে ।

ব’হাগ বিহু উৰুকাৰ দিনা গধূলি মাকৰ পৰা নতুন ‘ৰঙীণ ’ চোলা এটা পাােৱাত মাখনৰ মন আনন্দত উপচি পৰিছিল । তাৰ এই আনন্দুৰ উপমা দিবলৈ নাই । আনদিনা সি সন্ধিয়াৰ পিছতে শাােৱে । সেইদিনা শাােৱাৰ নাম গাােন্ধেই নাই । মাকে ভাত – পানী খাই চুৱা – মকা ধুই , পিঠা – পনা ভাজি অন্ত নকৰালৈকে সি মাকৰ লগে লগে ফুৰিছে । ৰাতি

মাকৰ লগত একেলগে শুবলৈ গ’ল । মাক – পুতেক দুয়াােৰে কিন্তু টোপনি নাহিল । অতীতৰ স্বামী সেৱাৰ কথা , এখাােটালি গুটি ধান , চাৰিবেৰৰ ভিতৰতে ৰঙে – আনন্দে খাােৱা এমুঠি ভাতৰ কথা — অতীতৰ এইবাােৰ সুখে ভৰা দিনৰ দুখসনা স্মৃতিয়ে মাক সাােণপাহিক জুমুৰি দি ধৰিলেহি । পুতেক মাখনে দেখিলে ভৱিষ্যতৰ ৰঙীণ স্বপ্ন মূৰৰ

শিতানৰ ৰঙা চোলা, নতুন চোলা নাােহাােৱা বাবে তাক ৰাতিপুৱা যে হাঁহিছিল সিহঁতৰ আগত সি নতুন চোলা পিন্ধি দেখুৱাব , চোলাটো সি কাকো চুই চাবলৈও নিদিব ইত্যাদি ।

কথাফাকিৰ মাজেদি লেখকে দুখ – যন্ত্ৰণাৰে জৰ্জৰিত এগৰাকী অসহায় নাৰীৰ আৰু সংসাৰৰ জটিলতা বুজি নােপােৱা সৰলমতি শিশু এটাৰ মানসিক অৱস্থাৰ ছবি এখন সুন্দৰ ভাবে দাঙি ধৰিছে ।

**প্ৰশ্ন ৬: মাখনৰ বাবে বিহুৰ চোলা মাকে কিয় আনিব পৰা নাছিল ? পিছত সেই চোলা মাকে কেননদৰে যােগাৰ কৰিছিল ?**

**উত্তৰঃ** মাখনৰ মাকে বজাৰত সৰু – সুৰা বস্তুৰ বেপাৰ কৰিছিল । লাভ বুলিবলৈ কোনােবা দিনা হাতত দুপইচা ৰয় , কোনােবা দিনা মূলটোকে ঠাৰৰাব নােৱাৰে । ব'হাগ বিহুৰ আগে আগে কেবাদিনো মূলটোকে ঠাৰৰাব পৰা নাছিল । বিহু উৰুকাৰ আগদিনা হাতত ৰৈছিল মাথাে এটকা ৰূপ । সেইখিনি ধনেৰে মাকে মাখনৰ বাবে বিহুৰ চোলাকে কিনিব নে খােৱাৰ যােগাৰকে কৰিব ? এফালে আটিলে , আনফালে নােজোৰে । সেয়ে মাকে মাখনৰ বাবে বিহুৰ চোলা আনিব পৰা নাছিল ।

লগৰীয়াবােৰে বিহুৰ কাপােৰ লােৱা দেখি উৰুকাৰ দিনা ৰাতিপুৱাৰে পৰা মাখনে মাকক নেৰা – নেপেৰাকৈ বিহুৰ চোলা এটাৰ বাবে খাটনি ধৰি কন্দাকটা কৰিছিল । হাজাৰ হ'লেও মাৰ মন । গতিকে বেপাৰৰ পইচাৰ চাৰিঅনা খৰচ কৰি মাকে মাখনৰ বাবে উৰুকাৰ দিনা গধূলি সাধাৰণ ৰঙা বনিয়ন এটা যােগাৰ কৰিছিল ।

**প্ৰশ্ন ৭: শলগুৰি গাঁৱৰ ল'ৰা – ছােৱালীহঁতে কেনেদৰে বিহুৰ বাবে প্ৰস্তুত হৈছে , তােমাৰ নিজৰ ভাষাৰে লিখা ।**

**উত্তৰঃ** ব'হাগ বিহুৰ আগে আগে সকলােৱে নতুন কাপােৰ – কানি কিনি , জা – জলপানৰ সামগ্ৰী যােগাৰ কৰি বিহুৰ বাবে প্ৰস্তুত হয় । শলগুৰি গাঁৱৰ ল'ৰা ছােৱালীহঁতেও বিহুৰ বাবে প্ৰস্তুত হৈছে। সিহঁতৰ বাবে মাক- দেউতাকে ন চোলা, ন চুৰীয়া , ন ন সাজপাৰ আনিছে । উৰুকাৰ দিনাখন ৰাতিপুৱা চুবুৰীটোৰ মাখনৰ লগৰ ল'ৰা – ছােৱালীবােৰে এঘৰৰ চোতালত গােট খাইছেহি ।সিহঁতৰ কোনােৱে নতুন চোলা পিন্ধি আহিছে , কোনােৱে মৰমতে নতুন চোলাটো আলফুলে হাতত লৈ ধূলি টুকুৰিয়াই ফুৰিছে । কোনােৱে আকৌ চোলাটো মাকৰ হাততহে আছে বুলি কৈ মাকৰ ওপৰত অলপমান অভিমান কৰা যেন দেখুৱাইছে । নতুন কাপােৰ পােৱাৰ আনন্দত সিহঁতৰ মনবােৰ আনন্দ – উলাহেৰে ভৰি আছে ।

বিহুত মানুহে হাতত জেতুকাসানে । শলগুৰিৰ ল'ৰা – ছােৱালীহঁতেও হাতত জেতুকা থেৰেজুৰ বােল সানিছে । ৰাতিপুৱাই সিহঁতে ভদাই শইকীয়াৰ চোতালত গােট খাইছেহি । তাতে সিহঁতে ইজনে – সিজনৰ হাতৰ বােল চোৱা চুই কৰিছে । এনেদেৰে নতুন

কাপােৰ কানি লৈ , হাতত জেতুকাৰ বােল সানি শলগুৰিৰ ল’ৰা – ছাােৱালীহঁতে বিহুৰ বাবে প্ৰস্তুত হৈছে ।

**প্ৰশ্ন ৮: লাহমনে মাখনৰ চোলাটোৰ ক্ষেত্ৰত কি কৰিলে আৰু তেনে কৰা উচিত আছিল নে ? সমনীয়া তথা কনিষ্ঠজনৰ সৈতে কেনে ব্যৱহাৰ কৰা উচিত বুলি তুমি ভাবা ?**

**উত্তৰঃ** লহমনে মাখনৰ গাত নতুন চোলাটো জোৰকৈ টানি সুমুৱাই দিয়াত চোলাটোৰ সীয়নিকেইটা ছিগি গল । লাহমনে তেনেকুৱা কাম কৰা উচিত নাছিল । সমনীয়া তথা কনিষ্ঠজনৰ সৈতে বন্ধুত্ব পূৰ্ণ ভাল ব্যৱহাৰ কৰা উচিত । সমনীয়া বা কনিষ্ঠজনে মনত দুখ পােৱা , আঘাত পােৱা ব্যৱহাৰ কেতিয়াও কৰিব নালাগে ।

**প্ৰশ্ন ৯: “ আই মই আজি পুৰণি চোলাও নিপিন্ধো ; আকৌ ফাটিব ? ফাটিলে তই কতপচা পাবি ? পিতাই মৰিল নহয় ? ” — কোনে , কাক , কিয় এই কথাষাৰ কৈছিল ?**

**উত্তৰঃ** এই কথাষাৰ মাখনে মাকক কৈছিল । নতুন চোলাটো ফালি – চিৰি অনা বাবে খং আৰু দুখ বেজাৰত মাকে মাখনক দুষাৰ টান কথা শুনাই পিঠিত দুটামান ঢকা মাৰিছিল যদিও তেওঁ মাতৃ হৃদয়ে সহ্য কৰিব পৰা নাছিল । সেয়ে কান্দিকাটি বিছনাত পৰা পুতেকৰ পিঠিত মূৰ পেলাই মাকে উচুপি উচুপি কান্দিছিল । মাকৰ উচুপনি শুনি সৰলমতি মাখনৰ অন্তৰতো আঘাত লাগিছিল । সি যেন বুজি পাইছিল— মাকৰ দুখকষ্টৰ কথা , দেউতাক নােহােৱা কথা । সেয়েহে মাখনে মাকক এই কথাষাৰ কৈছিল ।

**প্ৰশ্ন ১০: “ হ’ব পাৰে চ’ত মাহত দিন – ৰাতি প্ৰায় সমান , কিন্তু মাখনৰ মনত আজি চ’তৰ এই দিনটো যেন এটা যুগ । _ ” ইয়াত চ’তৰ কোনটো দিনৰ কথা কোৱা হৈছে আৰু মাখনৰ মনত দিনটো কিয় এটা যুগ যেন লাগিছিল ?**

**উত্তৰঃ** ব’হাগ বিহু উৰুকাৰ দিনটোৰ কথা কোৱা হৈছে । মাখনৰ মাকে উৰুকাৰ দিনা দুপৰীয় বজাৰলৈ গৈছে । আহোঁতে তেওঁ মাখনৰ বাবে এটা ৰঙা চোলা আনিব বুলি কৈ গৈছে । সেয়েহে , মাখনে সমনীয়াৰ সৈতে খেলিবলৈ নগৈ মাকে কেতিয়া চোলা লৈ আহে তাৰে অপেক্ষাত আছে । মাকে দুপৰীয়া বজাৰলৈ ওলাই যােৱাৰ পিছৰে পৰা সি বাৰে বাৰে পদুলি মুখলৈ চাইছে , কিজানিবা মাক আহি পালেই । গধূলিটো সেইদিনা মােনকালে অহাৰ বাবে সি মনে মনে কামনা কৰিছিল । কিন্তু সােনকালে আহিব ক’ত সেইদিনাৰ দিনটো তাৰ দীঘল যেনহে লাগিছিল । দিনটো যেন দিন নহয় , এটা যুগ ; শেষেই নহ’ব এতিয়া ? মনে বিচৰা বস্তু

এটালৈ অপেক্ষা কৰি থাকিলে অপেক্ষাৰ সময়খিনি বৰ দীঘলীয়া যেন লাগে । মাখনৰো সেয়ে হৈছিল ।

**প্ৰশ্ন ১১: মাখনে চুবুৰীয়া ভদাই শইকীয়াৰ চোতাললৈ যাওঁত গাঁৱৰ ল'ৰা ছাোৱালী বিলাকে তাত কি কৰি আছিল ?**

**উত্তৰঃ** ভদাই শইকীয়াৰ চোতালত বহি ল'ৰা – ছাোৱালীবিলাকে ইজনে সিজনৰ হাতৰ জেতুকাৰ বাোল চোৱা চুই কৰিছিল ।

**প্ৰশ্ন ১২: " আমাক গধূলিকৈহে জেতুকা পিন্ধাব । এইটি চোৱা আমাৰ ৰঙা চোলা । _ " কথাষাৰ কোনে , কাক কৈছিল ?**

**উত্তৰঃ** কথাষাৰ মাখনে ভদাই শইকীয়াৰ চোতালত লগ হাোৱা ল'ৰা ছাোৱালীবিলাকক কৈছিল ।

**প্ৰশ্ন১৩: চুটিগল্প কাক বাোলে ? ইয়াৰ তিনিটা বৈশিষ্ট্য লিখা ।**

**উত্তৰঃ** চুটিগল্প হ'ল মানুহৰ বাস্তৱ জীৱনৰ কোনাো এটা মুহূৰ্তৰ ঘটনাৰ বৰ্ণনা ।

**চুটিগল্পৰ তিনিটা বৈশিষ্ট্য হৈছে—**

১। চুটিগল্পৰ আৰম্ভণি আৰু পৰিসমাপ্তি আকস্মিক ধৰণে হ'ব লাগে ।

২। চৰিত্ৰৰ ক্ষেত্ৰত এটা কেন্দ্ৰীয় চৰিত্ৰ থাকিব লাগে আৰু জটিল বা বাহুল্য চৰিত্ৰ থাকিব নালাগে ।

৩। চুটিগল্পৰ বিষয়বস্তু মাত্ৰ এটাই হ'ব লাগিব , যিটোক সীমাবদ্ধ পৰিসৰৰ ভিতৰতে যথেষ্টভাৱে আৰু সফলতাৰে ফুটাই তুলিব লাগিব ।

## ভাষা-বিচাৰ

**প্ৰশ্ন ১: তলত দিয়া শব্দকেইটাৰ বিপৰীত শব্দ লিখা**

চহকী , সৰল , বিশ্বাস , উদ্বাউল

**উত্তৰঃ** চহকী – দুখীয়া , গৰীব ।

সৰল – জটিল , টান , কঠিন ।

বিশ্বাস – অবিশ্বাস ।

উদ্বাউল – ধীৰ – স্থিৰ , শান্ত , গম্ভীৰ ।

**প্ৰশ্ন ২: বাক্য ৰচনা কৰা —**

আলৈ – আথানি , আলেখ – লেখ , লাহ বিলাহ , আমঠু ।

**উত্তৰঃ আলৈ – আথানি** – গিৰিয়েক মৰাৰ পিছত মানুহজনীৰ বৰ আলৈ – আথানি হৈছে ।

**আলেখ – লেখ** – মানুহজনৰ আলেখ – লেখ দেখিলেই বুজিব পাৰি , তাৰ উদ্দেশ্য ভাল নহয় ।

**লাহ – বিলাহ** – সৰুৰে পৰা লাহ বিলাহত ডাঙৰ হাোৱা ছাোৱালী , এতিয়া কেনেকৈ কষ্ট কৰিব ?

**আমঠু** – সৰু ল'ৰাটোৰ ইননি – বিননিত মাকজনীৰ আমঠুলৈকে ক'লা পৰি গৈছিল ।

**প্ৰশ্ন ৩: শব্দাৰ্থ লিখা —**

লেনিয়াই , আভুৰা , লাহ , উত্ৰাৰল , স্বপ্ন , আমঠু , উষা , অগ্নি , জুহাল ।

**উত্তৰঃ** লেনিয়াই – মৰম লগাবলৈ কোমলকৈ কোৱা কথা ।

আভূৰা – বুজ নাোপাোৱা , নজনা ।

লাহ – ধুন-পেঁচ ।

উত্ৰাৰল – চঞ্চল , অস্থিৰ ।

স্বপ্ন – সপোন , সমাজিক ।

আমঠু – কলিজা , হৃদয় ।

উষা – ৰাতিপুৱা , প্ৰাতঃকাল ।

অগ্নি – জুই , বহ্নি ।

জুহাল – জুইশাল ।

**প্ৰশ্ন ৪: সন্ধি ভাঙা —**

অভিমান , অতীত , তথাপি , উজ্জ্বল , প্ৰতিধ্বনি

**উত্তৰঃ** অভিমান – অভি + মান ।

অতীত – অতি + ইত ।

উজ্জল – উৎ + জ্বল ।

প্ৰতিধ্বনি – প্ৰতি + ধ্বনি ।